জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৩৯০/২০২০

# নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত দৌলাশাল-লাৰকুছিৰ ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ সমীপৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৱলীৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## জলসম্পদ বিভাগক এই খহনীয়া প্ৰতিৰোধৰ কাম যুদ্ধকালীন তৎপৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## বানত ক্ষতিগ্ৰস্ত মীনপালক আৰু কৃষকসকলক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত দৌলাশাল-লাৰকুছিৰ ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ সমীপৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই খহনীয়া প্ৰতিৰোধ ব্যৱস্থা যুদ্ধকালীন তৎপৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে পদক্ষেপ ল'বলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ইতিমধ্যে পদক্ষেপ লৈ আছে।

পৰিদৰ্শনস্থলীত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সাম্প্ৰতিক বানত ৰাজ্যখনৰ বহু ঠাইত মথাউৰিসমূহত খহনীয়া হৈছে বুলি গম পোৱা গৈছে আৰু ৰাজ্যখনৰ কিছুমান ঠাইত নতুনকৈ খহনীয়া আৰম্ভ হৈছে। যিবোৰ ঠাইত মথাউৰি ভাঙিছে তথা খহনীয়াৰ সৃষ্টি হৈছে সেইবোৰ ঠাইত স্থানীয় বিধায়ক, সাংসদ তথা ৰাইজৰ সহযোগত জলসম্পদ বিভাগক যুদ্ধকালীনভাৱে মেৰামতিৰ পদক্ষেপ ল'বলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যিহেতু এটা মথাউৰি সম্পূৰ্ণভাৱে নিৰ্মাণৰ কাম এই বতৰত সম্ভৱ নহয়, সেয়েহে খহনীয়া প্ৰতিৰোধৰ বাবে বৰ্তমান যিকেইটা পদক্ষেপ কাৰিকৰীভাৱে সম্ভৱ, সেই কেইটাপদক্ষেপ তৎকালীনভাৱে লোৱা হ'ব।

মথাউৰিসমূহ নিৰ্মাণ তথা মেৰামতিৰ বাবে অসম চৰকাৰে সময়মতে নিবিদাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ ফলত দেশজুৰি আৰোপ কৰা লকডাউনৰ ফলত সেই কামসমূহ সময়মতে কৰিব পৰা হোৱা নাছিল। তৎসত্ত্বেও ৰাজ্য চৰকাৰে বিপদ সংকুল মথাউৰিসমূহ মেৰামতিৰ বাবে সিদ্ধান্ত লৈছে। অৱশ্যে, প্ৰতিকূল বতৰে এই ক্ষেত্ৰত বহু পৰিমাণে বাধাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে গৰাখহনীয়াক যুদ্ধকালীনভাৱে কাম কৰি হ'লেও প্ৰতিৰোধ কৰিব লাগিব বুলি কয়।

ৰাজ্যখনে বৰ্তমান ক'ভিড-১৯ ৰ সংক্ৰমণ, বানপানী- গৰাখহনীয়া, ধুমুহা আৰু আফ্ৰিকান ছুৱাইন

ফিভাৰৰ লেখীয়া চাৰিটা দুৰ্যোগৰ বিৰুদ্ধে সমানে যুঁজ দিব লগা হৈছে বুলি উল্লেখ কৰি ৰাইজক এই ক্ষেত্ৰত মনোবল অটুট ৰাখি চৰকাৰে লোৱা পদক্ষেপসমূহলৈ সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াই যাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ তথা অন্যান্য ক্ষেত্ৰত ৰাজ্যখনৰ সাংবাদিকসকলে লোৱা জনসচেতনতাৰ পদক্ষেপৰো শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গৰাখহনীয়াৰ বিষয়টো দুৰ্যোগ হিচাপে সন্নিবিষ্ট কৰাৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধ্যক্ষ এন কে সিঙলৈ ৰাজ্য চৰকাৰে ইতিমধ্যেই প্ৰতিবেদন প্ৰেৰণ কৰিছে। অসমবাসীৰ সহযোগত আগন্তুক সময়ত এই দুৰ্যোগৰ বিৰুদ্ধে মোকাবিলা কৰাৰ দিশত ৰাজ্য চৰকাৰে সফলতা লাভ কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত মীনপালক আৰু খেতিয়কসকলক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ন ডেকা, নলবাৰী সমষ্টিৰ বিধায়ক অশোক শৰ্মা, লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, নলবাৰী জিলাৰ উপায়ুক্ত ভাৰতভূষণ দেৱ চৌধুৰী, আৰক্ষী অধীক্ষক অমনজিৎ কৌৰ, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, জলসম্পদ বিভাগৰ বিষয়াকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**৩০/৫/২০২০**